# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-OCT-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। স্বাস্থ্য বিভাগৰ ৩ হাজাৰ ৬৯৮টা পদৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল আজি ঘোষণাৰ ব্যৱস্থা।

২। ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনৰ ভিত্তিত জি এম চি এইচৰ বিশেষজ্ঞ চিকিৎসকৰ জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ চূড়ান্ত প্ৰতিবেদনৰ প্ৰস্তুতি।

৩। উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত আজি ৰাজ্যৰ ২৬খন জিলাত পলিঅ' প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী।

৪। শিলচৰৰ বংগ ভৱনত অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ তৃতীয় কাৰ্যনিৰ্বাহকৰ পূৰ্ণাংগ অধিবেশনৰ আজি সামৰণি অনুষ্ঠান। **আৰু**

৫। মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ভাৰত-অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

স্বাস্থ্য বিভাগে আজি ৩ হাজাৰ ৬৯৮টা পদৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। চিকিৎসা শিক্ষা সঞ্চালকালয়, স্বাস্থ্য সেৱা সঞ্চালকালয় আৰু আয়ুষকে ধৰি স্বাস্থ্য বিভাগৰ অধীনৰ এই পদসমূহৰ ফলাফল ঘোষণাৰে স্বচ্ছ নিযুক্তিৰ ক্ষেত্ৰত আন এক মাইলৰ খুঁটি স্থাপন হ'ব বুলি ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

অসম আৰক্ষীৰ কনিষ্টবল পৰীক্ষাৰ ফলাফল কালি ঘোষণা কৰা হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে কনিষ্টবল পদত থকা স্থগিতাদেশ প্ৰত্যাহাৰ কৰাৰ পাছত কালি ৫ হাজাৰ ৬১৪টা পদৰ ফলাফল ঘোষণা কৰা হয়। অসম আৰক্ষীৰ ইউ বি শাখাৰ কনিষ্টবলৰ এহেজাৰ ৬৪৫টা আৰু সশস্ত্ৰ কনিষ্টবলৰ দুহেজাৰ ৩০০টা পদৰ ফলাফল ঘোষণা কৰা হয়। অৱশ্যে সংশ্লিষ্ট পদৰ ফলাফলসমূহ ঘোষণা কৰিলেও গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন তিনিখন লেখ আৱেদনৰ শুনানিৰ ওপৰত নিযুক্তিৰ বিষয়টো নিৰ্ভৰ কৰিব। ন্যায়ালয়ৰ নিৰ্দেশনাৰ ভিত্তিত অসম আৰক্ষীৰ ২০২টা কনিষ্টবল পদৰ ঘোষণাৰ বিষয়টো সংৰক্ষিত ৰখা হৈছে। ন্যায়ালয়ৰ ৰায়দানৰ পাছতহে এই ফলাফলসমূহ প্ৰকাশ কৰিব পৰা যাব।

oooooo

কেন্দ্ৰীয় ফৰেনচিক গৱেষণাগাৰে কালি প্ৰেৰণ কৰা জনতাৰ শিল্পী জুবিন গাৰ্গৰ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদন গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দাখিল কৰা হৈছে। চিকিৎসা মহাবিদ্যালয়খনে কৰা মৰণোত্তৰ পৰীক্ষা আৰু ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনৰ ভিত্তিত বিশেষজ্ঞ চিকিৎসকৰ দলে চূড়ান্ত প্ৰতিবেদন প্ৰস্তুত কৰিব। শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই কালি গুৱাহাটীত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। কালি এছ আই টিয়ে চিকিৎসা মহাবিদ্যালয়খনলৈ প্ৰেৰণ কৰা প্ৰতিবেদন জি এম চি এইচৰ এখন বিশেষজ্ঞ সমিতিয়ে পুংখানুপুংখভাৱে পৰীক্ষা কৰিব বুলিও শ্ৰীগুপ্তাই কয়। চূড়ান্ত প্ৰতিবেদনৰ প্ৰতিলিপি আদালতৰ উপৰি জুবিন গাৰ্গৰ পৰিয়ালক অৰ্পণ কৰা হ'ব বুলি তেওঁ কয়। উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল যদিও মৃত্যুৰ ঘটনাক লৈ সন্দেহ ঘণীভূত হোৱাৰ পৰিপ্ৰেক্ষিতত পুনৰ গুৱাহাটী

চিকিৎসা মহাবিদ্যালয় হাস্পতালত তেওঁৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল আৰু ভিছেৰা নতুন দিল্লীলৈ প্ৰেৰণ কৰা হৈছিল।

শ্ৰীগুপ্তাই কয় যে, ছিংগাপুৰত যিহেতু অসম আৰক্ষীয়ে গৈ ঘটনাটোৰ তদন্ত কৰিব নোৱাৰে সেয়েহে কেন্দ্ৰীয় চৰকাৰে দেশখনৰ সৈতে থকা পাৰস্পৰিক আইনী সহযোগিতা চুক্তি অনুসৰি এই গোচৰৰ তদন্তৰ ক্ষেত্ৰত সহায়ৰ বাবে ছিংগাপুৰ প্ৰশাসনক ইতিপূৰ্বে অৱগত কৰোৱা হৈছে। তেওঁ কয় যে, গৃহ মন্ত্ৰালয়ে ছিংগাপুৰৰ এটৰ্ণী জেনেৰেলক এই বিষয়ে সম্পূৰ্ণ ৰূপে অৱগত কৰোৱাৰ পাছত ছিংগাপুৰ চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থাও গ্ৰহণ কৰিছে। ছিংগাপুৰত থকা ভাৰতীয় উচ্চ আয়োগৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি থকা হৈছে বুলিও তেওঁ কয়।

**বাইট (এম প্ৰসাদ গুপ্তা)**

তদুপৰি জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১জন প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে ইতিমধ্যে চমন জাৰি কৰিছে আৰু ইয়াৰে ৰূপকমল কলিতা নামৰ লোকজন অসমত উপস্থিত হৈ আৰক্ষীক ভাষ্য দিছে বুলি শ্ৰীগুপ্তাই উল্লেখ কৰে। আৰক্ষীয়ে চমন জাৰি কৰাৰ পাছতো তেওঁলোক অসমত উপস্থিত নহ'লে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি শ্ৰীগুপ্তাই প্ৰকাশ কৰে। ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ছিংগাপুৰ আৰক্ষীয়ে কৰণাৰ গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে কোনো ব্যক্তিৰ অস্বাভাৱিক কাৰণত মৃত্যু হ'লে নাইবা হত্যাৰ সন্দেহ হ'লে ছিংগাপুৰত এই গোচৰ ৰুজু কৰা হয়।

অসম চৰকাৰে জনতাৰ শিল্পীগৰাকীক ন্যায় প্ৰদানৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আৰক্ষীয়েও দ্ৰুতগতিত তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। দোষীক দৃষ্টান্তমূলক শাস্তি বিহা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কালি তেজপুৰত সাংবাদিকৰ আগত প্ৰকাশ কৰে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

০০০০০০

শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে আজি ৰাজ্যৰ ২৬ খন জিলাত পলিঅ' দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান অভিযানৰ অধীনত ইতিপূৰ্বে পলিঅ' প্ৰতিষেধক গ্ৰহণৰ পৰা বাদ পৰি যোৱা সকলো শিশুক এই অভিযানৰ অধীনত সামৰি লোৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জীৱন ৰক্ষাকাৰী পলিঅ' প্ৰতিষেধক প্ৰদান নিশ্চিত কৰাৰ বাবে ৫ বছৰৰ তলৰ সকলো শিশুৰ পিতৃ-মাতৃ আৰু অভিভাৱকক আগবাঢ়ি অহাৰ বাবে আহ্বান জনাইছে। চিৰাং জিলাত আজিৰে পৰা এই প্ৰতিষেধক প্ৰদান কৰা হ'ব। ১৪ অক্টোবৰলৈ চলিবলগীয়া এই কাৰ্যসূচীৰ অধীনত জিলাখনৰ ৪০০টা কেন্দ্ৰত প্ৰতিষেধক প্ৰদান কৰা হ'ব। জিলাখনৰ আয়ুক্তই প্ৰকাশ কৰা মতে, এহেজাৰ ৫৩৮ গৰাকী স্বাস্থ্য বিভাগৰ লোক এই প্ৰতিষেধক প্ৰদান কাৰ্যত নিয়োজিত হৈ থাকিব। জিলাখনৰ ৬০ হাজাৰ ২৪৬ টি শিশুক এই প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজিৰে পৰা জিলাখনত তিনিদিনীয়াকৈ উপৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। ৫ বছৰ বয়সৰ তলৰ সকলো শিশুক দুটোপালকৈ পলিঅ' প্ৰতিষেধক প্ৰদানৰ বাবে এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। জিলাখনৰ পৰিয়াল কল্যাণ শাখাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ কমলাকান্ত শৰ্মাই প্ৰকাশ কৰা মতে জিলাখনত এক ৩৮ হাজাৰ ৭৬৩টা শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। তদুপৰি ৫৩টা ভ্ৰাম্যমান প্ৰতিষেধক প্ৰদানকাৰী দলে দুৰ্গম আৰু যাতায়াতৰ অসুবিধা থকা স্থানলৈ গৈ প্ৰতিষেধক প্ৰদান কৰিব। ইয়াৰ বাবে দুহেজাৰ ৯৬২ গৰাকী স্বাস্থ্য কৰ্মী আৰু ২০৩ গৰাকী পৰিদৰ্শক নিয়োগ কৰা হৈছে আৰু তেওঁলোকক যাৱতীয় প্ৰশিক্ষণেৰে সাজু কৰি তোলা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০

আকাশবাণীক লৈ বহুজনৰ সুদীৰ্ঘ দিনৰ অভিজ্ঞতা আৰু স্মৃতি আছে। আকাশবাণী গুৱাহাটীৰ কালিৰ দৃষ্টিপাত অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে ৰেডিঅ' শুনাৰ আৰু আকাশবাণীৰ সৈতে জড়িত হোৱাৰ এনে স্মৃতি আৰু

অভিজ্ঞতাৰ কথা উল্লেখ কৰে। এই অনুষ্ঠানত বিশিষ্ট বিজ্ঞানী কল্পবিজ্ঞান লেখক ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে ৰেডিঅ'ৰ সৈতে নিজৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ কথা সোঁৱৰণ কৰাৰ লগতে আকাশবাণীত অনুষ্ঠানৰ ঘোষণা নাইবা বাতৰি পঢ়োতাসকলক সাৱধান হৈ আৰু শুদ্ধতা অটুত ৰাখি শব্দ উচ্চাৰণ কৰিবলৈ আহ্বান জনায়।

**বাইট (দীনেশ গোস্বামী)**

অনুষ্ঠানত অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত শীৰ্ষ বিষয়া ধীৰেন্দ্ৰ নাথ শইকীয়া, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰাক্তন জ্যেষ্ঠ বিষয়া শেৱালী চৌধুৰী আৰু বিশিষ্ট শিল্পী, বনচাই বিশেষজ্ঞ লাবু সেনাপতিয়েও ৰেডিঅৰ সৈতে থকা স্মৃতি আৰু অভিজ্ঞতাৰ বিষয়ে শ্ৰোতাসকলক অৱগত কৰে। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক গৌতম শৰ্মাই আকাশবাণীৰ মান অটুত ৰাখি বিশ্বাসযোগ্যতা বৰ্তাই ৰাখি কাম কৰি যাবলৈ ইয়াৰ সৈতে জড়িত সকলোকে আহ্বান জনায়। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ঐক্য, শান্তি আৰু সমন্বয়ৰ সংকল্পৰে কালিৰে পৰা শিলচৰৰ বংগ ভৱনত অনুষ্ঠিত অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ তৃতীয় কাৰ্যনিৰ্বাহকৰ পূৰ্ণাংগ অধিবেশনৰ আজি সামৰণি পৰিব। আজি দিনৰ ১০ বজাত অসম সাহিত্য সভাৰ সভাপতিৰ লগতে বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাৰ সভাপতিৰ অংশগ্ৰহণেৰে এটা বৰ্ণময় সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থই এই শোভাযাত্ৰাৰ শুভাৰম্ভ কৰিব। কালি পুৱা পতাকা উত্তোলনেৰে সভাৰ কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত সদ্য প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধা জনোৱাৰ লগতে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা আৰু লোকসংগীতৰ বিশিষ্ট শিল্পী কালিকা প্ৰসাদ ভট্টাচাৰ্যৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয়।

অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত মন্ত্ৰী কৌশিক ৰায়ে আদৰণি ভাষণ দিয়ে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে বৰাক উপত্যকাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই অধিবেশনে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাজত সমন্বয়ৰ সেতু গঢ়ি তুলিব বুলি মন্তব্য কৰে। কালিৰ অনুষ্ঠানত **বৰাক বৈভৱ** শীৰ্ষক স্মৃতি গ্ৰন্থ, অসম সাহিত্য সভাৰ পত্ৰিকা আৰু বাৰ্তা উন্মোচন কৰা হয়।

০০০০০০

সাম্প্ৰতিক সময়ত স্বেচ্ছাসেৱী সংস্থা বা এন জি অ' সম্পৰ্কত বহু নেতিবাচক কথা চৰ্চালৈ আহিছে। কিন্তু একে সময়তে বহু বে-চৰকাৰী স্বেচ্ছাসেৱী সংস্থা নিৰৱচ্ছিন্নভাৱে জনসেৱাত ব্ৰতী হৈ আছে। আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত আপোনালোকে লগ পাব গুৱাহাটীৰ পথিক নামৰ স্বেচ্ছাসেৱী সংগঠন আৰু মঙলদৈৰ ক্ৰিষ্টেল ভিজনৰ নামৰ স্বেচ্ছাসেৱী সংগঠন দুটাক। এই অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ভাৰত-অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিশাখাপট্টনমত অনুষ্ঠিত হ'বলগীয়া খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। কালি নিশা কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে শ্ৰীলংকাক ৮৯ ৰানত পৰাস্ত কৰে।

০০০০০০

এছ আই টিৰ জুবিন গাৰ্গৰ ভিছেৰা প্ৰতিবেদন, জুবিনৰ অনুৰাগীক গ্ৰেপ্তাৰ আৰু নিৰ্যাতনক লৈ আদালতৰ কঠোৰ স্থিতি। শান্তিৰ ন'বেল বঁটা লাভৰ পিছতেই ভেনিজুৱেলাৰ মাছাডো, ট্ৰাইবেল সংঘৰ, ৬টা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে **দেশজুৰি বিদ্যুৎ বিতৰণৰ দায়িত্ব দিব ব্যক্তিগত কোম্পানীক**

শিৰোনামেৰে  এই খণ্ডত চৰকাৰী প্ৰতিষ্ঠানৰ আধিপত্যৰ অন্ত পেলোৱাৰ বাবে নতুন বিধেয়কৰ খচৰা প্ৰস্তুতিৰ বিষয়ে প্ৰধান বাতৰি পৰিৱেশন কৰিছে। **দৈনিক অসম** কাকতৰ আজিৰ প্ৰধান বাতৰিৰ শিৰোনাম **জনজাতিকৰণক লৈ বিভাজনৰ ৰাজনীতি**। **টে'ট উত্তীৰ্ণ নহ'লে চাকৰি হেৰুৱাব শিক্ষকে** শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে উচ্চতম ন্যায়ালয়ে এই সম্পৰ্কে কৰা ৰায়দানত দেশজুৰি প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। ঝাৰখণ্ডত আই ই ডি বিস্ফোৰণত অসমৰ চি আৰ পি এফৰ জোৱান মহেন্দ্ৰ  লস্কৰ শ্বহীদ হোৱাৰ বাতৰিক **আমাৰ অসম**ৰ লগতে আজি প্ৰকাশিত প্ৰতিখন কাকতে প্ৰথম পৃষ্ঠাত বিশেষ গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে জুবিন গাৰ্গৰ মৃত্যুক লৈ হোৱা ৰাজনীতিয়ে পৰিয়ালক বিৰক্তিত পেলোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত অন্যতম গুৰুত্বপূৰ্ণ বাতৰিৰ স্থান দিছে। **দ্যা চেণ্টিনেল** কাকতে ছিংগাপুৰৰ ১০ জন অভিযুক্তক অসমলৈ অনাৰ বাবে ছমন জাৰি কৰাৰ বিষয়ে এছ আই টিৰ মুৰববীয়ে প্ৰকাশ কৰাৰ বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। **অসমীয়া খবৰ** কাকতে অণুপ্ৰৱেশ, জনসংখ্যা বিস্ফোৰণৰ ভয়ংকৰ প্ৰভাৱ, অসমত সংখ্যালঘু হ'ব হিন্দু শীৰ্ষক এটা বাতৰিক প্ৰথম পৃষ্ঠাত তথ্য সহকাৰে বিস্তৃতভাৱে প্ৰকাশ কৰিছে। এ আইৰ আগ্ৰাসন, ভাৰতসহ ৬ খন ৰাষ্ট্ৰত বিলুপ্ত হ'ব ৭ শতাংশ চাকৰি শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত